# অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
# ASSAM JATIYA BIDYALAY EDUCATION COUNCIL

AJBEC
অজাবি শিক্ষা সংসদ

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020

Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com


প্ৰসংগ : এজবেক/শিপ্ৰ/৩৭/২০ তাৰিখ : ২৪-১২-২০২০

## অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ দ্বাৰা শিক্ষক প্ৰশিক্ষণৰ কাৰ্য্যসূচী সম্পন্ন।

## ২৫০ খন বিদ্যালয়ৰ আঠ শতাধিক শিক্ষক-শিক্ষয়িত্ৰীৰ অংশগ্ৰহণ

**২৩ ডিছেম্বৰ, গুৱাহাটী** : অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ দ্বাৰা আয়োজিত শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী যোৱা ১৬ ডিছেম্বৰৰ পৰা ২৩ ডিছেম্বৰলৈ অনলাইনযোগে অনুষ্ঠিত হয়। ১৬ আৰু ১৭ ডিছেম্বৰ তাৰিখে প্ৰাক্-বিদ্যালয় আৰু ইংৰাজী বিভাগৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচী অনুষ্ঠিত হয়। ১৮ আৰু ১৯ ডিছেম্বৰত গণিত আৰু অসমীয়া বিভাগৰ, ২১ আৰু ২২ ডিছেম্বৰত বিজ্ঞান আৰু সমাজ বিজ্ঞান বিভাগৰ শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হোৱাৰ বিপৰীতে ২৩ ডিছেম্বৰ তাৰিখে হিন্দী আৰু সুকুমাৰ কলা বিভাগৰ শিক্ষক প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত অসমৰ ১২ খন জিলাৰ ২৫০ খন বিদ্যালয়ৰ সৰ্বমুঠ ৮১৭ গৰাকী শিক্ষক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। অসমীয়া বিভাগৰ শিক্ষক প্ৰশিক্ষণ কাৰ্য্যসূচীত ১১৫ গৰাকী, বিজ্ঞান বিভাগত ৯৩ গৰাকী, ইংৰাজী বিভাগত ১১৫ গৰাকী, গণিত বিভাগত ১১০ গৰাকী, সমাজ বিজ্ঞান বিভাগত ১২৮ গৰাকী, হিন্দী বিভাগত ১০৩ গৰাকী, সুকুমাৰ কলা বিভাগৰ ৫৩ গৰাকী আৰু প্ৰাক্-বিদ্যালয় শাখাত ১০০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। 'গুগল মীট' এপৰ জৰিয়তে অনুষ্ঠিত হোৱা এই কাৰ্য্যসূচীত প্ৰাক্-বিদ্যালয় বিভাগত ড° সংগীতা শৰ্মা, নিৰ্মালী অধিকাৰী, ইংৰাজী বিভাগত সপোন দুৱৰা, ড° পদ্মিনী ভূঞা বৰুৱা, অৰুণিমা দেৱী, ড° প্ৰাঞ্জনা কলিতা নাথ, ড° মিজো প্ৰভা বৰা, হিন্দী বিষয়ত ড° অমূল্য বৰ্মন, ড° জুৰি দেৱী, গণিত বিষয়ত ৰাণু বৰগোহাঁই, অসমীয়া বিভাগত ড° অনুৰাধা শৰ্মা, ড° স্মৃতিৰেখা ভূঞা, ড° স্বপ্নাৰাণী বৰা, সমাজ বিজ্ঞান বিভাগত সঞ্জীৱ কাকতি, ড° ধ্ৰুৱজ্যোতি ৰাজবংশী, বিজ্ঞান বিভাগত ড° হিৰণ্য কুমাৰ চৌধুৰী, ড° কমল চৌধুৰী, ড° হোমেশ্বৰ কাকতি, সুকুমাৰ কলা বিভাগত অতুল চন্দ্ৰ বৰুৱাই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি বিদ্যালয়ৰ বিভিন্ন বিভাগৰ কেইবাগৰাকীও শিক্ষকে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ আগবঢ়ায়। উল্লেখযোগ্য যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে (এজবেক) অসমৰ ভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ শিক্ষকসকলৰ বাবে প্ৰশিক্ষণ কাৰ্য্যসূচীৰ আয়োজন কৰি আহিছে। এই বছৰ ক'ভিড-১৯ মহামাৰীৰ বাবে এই কাৰ্য্যসূচী অনলাইনযোগে অনুষ্ঠিত কৰা হয়। এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ সমন্বয়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ ইংৰাজী বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰাজিতা দত্ত।

(ডা° নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ